# অসম বিধান সভা

**লিখিত প্ৰশ্ন নং : ১৫১**

উত্তৰ দিয়াৰ তাৰিখ – ০৯/০৭/২০২৬

**বিষয়ঃ যোৱা ১০ বছৰত কিমান উদ্যোগ আহিল আৰু কিমান বন্ধ হ'ল।** **সদস্যৰ নামঃ শ্ৰী অখিল গগৈঃ**

**১৫১।** মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) যোৱা ৫ বছৰত ৰাজ্যলৈ অহা মুঠ বিনিয়োগৰ ধনৰ পৰিমাণ নিৰ্দ্দিষ্ট উদ্যোগৰ নাম উল্লেখ কৰি সবিশেষ জনাব। লগতে যোৱা ১০ বছৰত অসমৰ ঋণগ্ৰস্ত কিমানটা ৰাজহুৱা প্ৰতিষ্ঠান (PSU) বৰ্তমান বন্ধ হ'ল বা ব্যক্তিগতকৰণৰ পথত আগবাঢ়িছে? কিমানে নতুন নিযুক্তি পালে, কিমানে চাকৰি হেৰুৱালে? থলুৱা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সমূহক (MSME) গোলকীয় বজাৰৰ সৈতে সংযোগ কৰি জিলা ভিত্তিক 'ৰপ্তানী-মুখী ক্লাষ্টাৰ' গঢ়িবলৈ চৰকাৰৰ সুনিৰ্দ্দিষ্ট আঁচনিবোৰ কি কি? জনাব ।

(খ) জাগীৰোডৰ নিৰ্মীয়মান মেগা 'ছেমিকণ্ডাক্টৰ উদ্যোগ'টোৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মুঠ কিমান কোটি টকাৰ বিত্তীয় ৰাজসাহাৰ্য্য (Capital Subsidy কে ধৰি) অনুমোদন জনাইছে? এই উদ্যোগৰ পৰা অসমৰ অৰ্থনীতিলৈ কি সুনিৰ্দ্দিষ্ট লাভ বা ৰাজহ (Revenue) আহিব ?

(গ) এই ছেমিকণ্ডাক্টৰ প্ৰকল্পটোৰ উচ্চ-প্ৰযুক্তিৰ নিয়োগ প্ৰক্ৰিয়াত আমাৰ থলুৱা অসমীয়া যুৱক-যুৱতীৰ বাবে কিমান শতাংশ নিযুক্তি সুনিশ্চিত কৰা হৈছে, তাৰ বাবে চৰকাৰৰ হাতত কিবা লিখিত চুক্তি বা স্পষ্ট ব্লুপ্ৰিন্ট আছে যদি সদনত দাখিল কৰিব।

## উত্তৰঃ

**মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়া দেৱে উত্তৰ দিবঃ**

(ক) অসম আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ জৰিয়তে, যোৱা ৫ বছৰত হোৱা বিনিয়োগৰ তথ্য পৰিশিষ্ট-১, পৰিশিষ্ট-২ আৰু পৰিশিষ্ট-৩ ত সংলগ্ন কৰা হ'ল ।

বিগত ১০ বছৰত অসমৰ চাৰিটা অচল/লোকচানগ্ৰস্ত ৰাজহুৱা খণ্ডৰ উদ্যোগ (PSU)/চৰকাৰী কোম্পানীক বন্ধ ঘোষণা কৰি চৰকাৰে অধিসূচনা জাৰি কৰিছে।

১. অসম সংখ্যালঘু উন্নয়ন আৰু বিত্ত নিগম লিমিটেড (Assam Minorities Development & Finance Corporation
২. অসম প্লান্টেচন ক্ৰপছ ডেভেলপমেণ্ট কৰ্প'ৰেচন (Assam Plantation Crops Development Corporation)
৩. অসম ষ্টেট ফাৰ্টিলাইজাৰ্ছ এণ্ড কেমিকেলছ লিমিটেড (Assam State Fertilizers and Chemicals Ltd.)
৪. প্ৰাগজ্যোতিষ সাৰ আৰু ৰাসায়নিক লিমিটেড

উল্লেখিত চাৰিটা উদ্যোগৰ ভিতৰত দুটা উদ্যোগত কোনো কৰ্মচাৰী নাছিল। আন দুটা উদ্যোগৰ মুঠ ২৪ জন নিয়মীয়া কৰ্মচাৰীক স্বেচ্ছামূলক অৱসৰ আঁচনি (VRS)-ৰ জৰিয়তে অব্যাহতি দিয়া ব্যৱস্থা হৈছে।

বৰ্তমান তাৰিখলৈকে অসম ৰাজ্যত কোনো ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগ (State PSU) বেচৰকাৰীকৰণৰ বিবেচনাধীন নহয় ।

District as Export Hub (DEH) আৰু One District One Product (ODOP) পদক্ষেপৰ অধীনত অসমৰ প্ৰত্যেক খন জিলাত জিলা ৰপ্তানি প্ৰসাৰ সমিতি (District Export Promotion Committee) গঠণ কৰা হৈছে। এই সমিতি সমূহৰ দ্বাৰা জিলা পৰ্যায়ত ৰপ্তানিৰ সম্ভাৱনা থকা বিভিন্ন উৎপাদিত সামগ্ৰী বাছনি কৰা হৈছে। উদাহৰণ

স্বৰূপে, অসমীয়া গহনাই ইয়াৰ একক আৰ্হি (Unique design) আৰু ই লাভ কৰা ভৌগোলিক স্বীকৃতিৰ (GI) বাবে আন্তঃৰাষ্ট্ৰীয় বজাৰত, বিশেষকৈ প্ৰবাসী ভাৰতীয় ক্ৰেতাসকলৰ মাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে । অসমীয়া গহনাৰ ৰপ্তানি বৃদ্ধিৰ উদ্দেশ্যে সম্ভাব্য ঔদ্যোগিক ক্লাষ্টাৰ হিচাপে নগাঁও, যোৰহাট আৰু বৰপেটা জিলাত অসমীয়া গহণাৰ ৰপ্তানিমুখি ক্লাষ্টাৰ গঢ়ি তুলিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই গহনাসমূহৰ ৰপ্তানি বৃদ্ধিৰ বাবে Gems and Jewellery Export Promotion Council (GJEPC)-ৰ সৈতে বৰ্তমান আলোচনা চলি আছে। একেদৰে, ৰাজ্যখনৰ পৰা আগৰৰ ৰপ্তানি বৃদ্ধিৰ বাবে গোলাঘাট, হোজাই আদিৰ দৰে আগৰ কাঠ উপলব্ধ জিলাসমূহত আগৰৰ লগত জড়িত উদ্যমীসকলক চিনাক্ত কৰি ক্লাষ্টাৰসমূহৰ মানচিত্ৰ প্ৰস্তুত (মেপিং) কৰা হৈছে। আগৰ, সুগন্ধি তেল (Essential Oil) আদিৰ ৰপ্তানিৰ লগত জড়িত Shellac & Forest Products Export Promotion Council (SHEFEXIL) ৰ সৈতেও আলোচনা চলি আছে। **ইউৰোপীয় সংঘ (European Union)**-এ নিজৰ **Global Gateway** পদক্ষেপৰ অধীনত অসমত **European Blue Valley Cluster Pilot** কাৰ্যসূচী আৰম্ভ কৰিছে। এই পদক্ষেপে অসমৰ সমৃদ্ধ প্ৰাকৃতিক সম্পদ আৰু ঐতিহ্যগত শক্তিৰ সৈতে ইউৰোপৰ উদ্ভাৱন, গৱেষণা, উন্নত প্ৰযুক্তি, গুণগত মানদণ্ড আৰু বৈশ্বিক বজাৰলৈ প্ৰৱেশৰ অভিজ্ঞতাক একত্ৰিত কৰি অসম আৰু ইউৰোপীয় সংঘৰ মাজৰ সহযোগিতাক এক নতুন উচ্চতালৈ লৈ যোৱাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য মাইলৰ খুঁটি স্থাপন কৰিছে।

এই পদক্ষেপৰ ফলত চাহ, সুগন্ধি সামগ্ৰী, প্ৰাকৃতিক উৎপাদন, পুষ্পচাষ, আয়ুষ (AYUSH) আৰু অন্যান্য জৈৱ সম্পদভিত্তিক উদ্যোগসমূহত নতুন সম্ভাৱনা আৰু বিনিয়োগৰ সুযোগ সৃষ্টি হোৱাৰ আশা কৰা হৈছে। লগতে, প্ৰস্তাৱিত **ভাৰত-ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তি (India–European Union Free Trade Agreement)** কাৰ্যকৰী হ'লে অসমৰ বৈশ্বিক মূল্য শৃংখলৰ সৈতে সংযোগ অধিক শক্তিশালী হোৱাৰ লগতে ৰাজ্যখনৰ ৰপ্তানিৰ সুযোগো বহুগুণে বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

অসমৰ থলুৱা সামগ্ৰী সমুহৰ ৰপ্তানিৰ প্ৰসাৰত (Export Promotion) সহায়ক হোৱাকৈ ইতিমধ্যে Export Promotion Policy of Assam ৰ খচৰা প্ৰস্তুত কৰা হৈ আছে ।

Directorate General of Commercial Intelligence & Statistic (DGCIS) ৰ পৰা পোৱা তথ্য অনুসৰি যোৱা ৫ বছৰত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সমূহ (MSME) তলত উল্লেখ কৰা ধৰনে ৰপ্তানীৰ জৰিয়তে গোলকীয় বজাৰৰ সৈতে সংযোগ স্থাপন কৰিছে।

| ক্ৰমিক নং | পণ্য | ২০২১-২২ | ২০২২-২৩ | ২০২৩-২৪ | ২০২৪-২৫ | ২০২৫-২৬ |
|---|---|---|---|---|---|---|
| ১ | চাহ | ১,৬৯১.৫২ | ১,৯৮৪.৬২ | ১,৯৯৬.৭১ | ২,২৫২.৪৫ | ২,২৭০.১১ |
| ২ | কৃষিজাত সামগ্ৰী | ৮৬.৭৮ | ৯১.০৩ | ৯২.৯৪ | ১৭২.৬৮ | ১১৯.৪৫ |
| ৩ | ৰেচম সামগ্ৰী | ২.৪৫ | ২.০৯ | ১.২৩ | ১.২৩ | ১.৩৩ |

২০২৬ চনৰ মে’ মাহত অসমে CITES পাৰ্মিট আৰু DGFT ৰপ্তানি অনুজ্ঞাপত্ৰকে ধৰি সকলো বাধ্যতামূলক অনুমোদন লাভ কৰাৰ পিছত চৌদি আৰৱ আৰু ইউ এ ইলৈ প্ৰথমটো আইনগতভাৱে অনুমোদিত আগৰউড চিপছৰ ৰপ্তানি কৰিছিল।

**চালানটোত আছিল :**

- চৌদি আৰৱলৈ ১০০ কিলোগ্ৰাম আগৰ কাঠৰ চিপচ
- ইউ এ ইলৈ ১২ কিলোগ্ৰাম
- মুঠ ৰপ্তানি মূল্য : ২.৩৫ কোটি টকা

এই চালানে প্ৰমাণ কৰিলে যে অসমৰ আগৰ কাঠ উদ্যোগে এতিয়া নিয়ন্ত্ৰিত মাধ্যমেৰে প্ৰিমিয়াম আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰৱেশ কৰিব পাৰিব।

(খ) জাগীৰোডত প্ৰস্তাৱিত টাটা ছেমিকণ্ডাক্টৰ উৎপাদন প্ৰকল্পটো ৰাজ্যখনৰ বাবে এক যুগান্তকাৰী পদক্ষেপ, য'ত ২৭,০০০ কোটি টকাৰো অধিক মূলধন বিনিয়োগ কৰা হ'ব। এই গুৰুত্বপূৰ্ণ প্ৰকল্পটোৰ দীৰ্ঘম্যাদী সফলতা নিশ্চিত কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰে ১০,২৫৫ কোটি টকা আৰু অসম চৰকাৰে অতিৰিক্ত ৩,৭৮৯ কোটি টকাৰ বিত্তীয় ৰাজসাহায্য (Incentive) অনুমোদন জনাইছে।

এই বিশ্বমানৰ সুবিধাটোৱে উন্নত পেকেজিং প্ৰযুক্তিবিদ্যাত বিশেষত্ব প্ৰদান কৰিব যাৰ ভিতৰত আছে wire-bond, flip-chip, and integrated system-in-package (SiP) আৰু ই মটৰগাড়ী, টেলিকম, কৃত্ৰিম বুদ্ধিমত্তা, আৰু গ্ৰাহক ইলেক্ট্ৰনিক্সৰ দৰে মূল উদ্যোগসমূহক সেৱা আগবঢ়াব।

এই TSAT ৰ বাবে জাগীৰোড পৰৱৰ্তী লজিষ্টিকছৰ কেন্দ্ৰ হ'বলৈ গৈ আছে। DHL, CONCOR, Nippon Xpress আৰু আন বহুতো উদ্যোগে জাগীৰোডত তেওঁলোকৰ ব্যৱসায়িক গোট স্থাপন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। ৰতন টাটা ইলেক্ট্ৰনিক চিটিলৈকে ৰেলৱে সম্প্ৰসাৰণ, আইচিডি আমিনগাঁওৰ সম্প্ৰসাৰণে ৰেলৱে আৰু অন্তৰ্দেশীয় জল সংযোগক TSAT ৰ সামগ্ৰীৰ প্ৰকল্পটোলৈকে যোগান ধৰাত সহায় কৰিব, যাৰ ফলত সময় হ্ৰাস হ'ব আৰু অধিক চিপ উৎপাদন হ'ব।

এই প্ৰকল্পটোৰ প্ৰভাৱ জাগীৰোডৰ সীমা অতিক্ৰম কৰি গুৱাহাটী, নগাঁও, তেজপুৰ, আৰু ডিব্ৰুগড়লৈকে বিয়পি পৰিব — কিয়নো এই সমৃদ্ধিশালী ইকোছিষ্টেমটোক সমৰ্থন কৰিবলৈ নতুন উদ্যোগ, লজিষ্টিক সেৱা আৰু সৰু সৰু উদ্যোগ গঢ় লৈ উঠিব।

ছেমিকণ্ডাক্টৰ নিৰ্মাতাসকলে সমগ্ৰ নিৰ্মাণ খণ্ডত প্ৰযুক্তিগত নৱীকৰণ সক্ষম কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰযুক্তি হস্তান্তৰৰ জৰিয়তে, তেওঁলোকে উদ্যোগসমূহক — বিশেষকৈ এমএছএমইসমূহক — স্মাৰ্ট নিৰ্মাণ প্ৰণালী গ্ৰহণ কৰিবলৈ আৰু তেওঁলোকৰ কামকাজ আধুনিকীকৰণ কৰিবলৈ সহায় কৰে।-

ছেমিকণ্ডাক্টৰ ক্ষেত্ৰত প্ৰযুক্তি হস্তান্তৰে নতুন প্ৰযুক্তি, নতুন সামগ্ৰীৰ প্ৰস্তাৱ, আৰু নতুন ব্যৱসায়িক মডেল সামৰি লয়, য'ত চেন্সৰ ইন্টিগ্ৰেচনৰ পৰা ক্লাউড ছিষ্টেম আৰু ডাউনষ্ট্ৰীম সেৱালৈকে সমগ্ৰ মূল্য শৃংখলাটো অন্তৰ্ভুক্ত থাকে।

অসম চৰকাৰে Industry 4.0 সমৰ্থন কৰিবলৈ স্মাৰ্ট নিৰ্মাণৰ বাবে এক অভিযান্ত্ৰিক সুবিধা কেন্দ্ৰ (Engineering Facility Centre) স্থাপনৰ কথা বিবেচনা কৰিছে। এই কেন্দ্ৰই এমএছএমইসমূহক ছেমিকণ্ডাক্টৰ আৰু ইলেক্ট্ৰনিক্স নিৰ্মাণৰ সৈতে জড়িত উন্নত প্ৰযুক্তি লাভ কৰাত সহায় কৰিব।

প্ৰস্তাৱিত প্ৰকল্পটোৱে এক প্ৰদৰ্শন কেন্দ্ৰ আৰু হাতেকলমে প্ৰশিক্ষণ কেন্দ্ৰ দুয়োটা হিচাপে কাম- কৰিব, যাৰ ফলত উদ্যোগী, অভিযন্তা, আৰু এমএছএমই ইউনিটসমূহে ছেমিকণ্ডাক্টৰ প্ৰক্ৰিয়াসমূহ বুজি পাব আৰু গ্ৰহণ গ্ৰেড নিৰ্মাণ কৰিবলৈ সক্ষম হ'ব। এই পদক্ষেপে অসমত এক সজীৱ ছেমিকণ্ডাক্টৰ ইকোছিষ্টেমৰ উত্থানক ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে, স্থানীয় উদ্যোগৰ অংশগ্ৰহণ বৃদ্ধি কৰিব আৰু দীৰ্ঘম্যাদী অৰ্থনৈতিক বিকাশক লালনপালন কৰিব।

প্ৰস্তাৱিত সুবিধাটো জাগীৰোডত থকা আগন্তুক টাটা OSAT (Outsourced Semiconductor Assembly and Testing) প্লাণ্টটোক কৌশলগত সমৰ্থন আগবঢ়োৱাৰ বাবে কল্পনা কৰা হৈছে।

অসমৰ কৌশলগত ভৌগোলিক অৱস্থানে ইয়াক দক্ষিণ-পূব এছিয়াৰ দেশসমূহলৈ এক স্বাভাৱিক প্ৰৱেশদ্বাৰ হিচাপে প্ৰতিষ্ঠা কৰিছে। এই অঞ্চলত বিশ্বৰ প্ৰায় ৩০% জনসংখ্যাই বাস কৰে, যাৰ ফলত অসম বাণিজ্য আৰু বিনিয়োগৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ়ি উঠাৰ অপাৰ সম্ভাৱনা লাভ কৰিছে। জাগীৰোডত স্থাপন হ'বলগীয়া TSAT ছেমিকণ্ডাক্টৰ প্ৰকল্পত উৎপাদিত সামগ্ৰীৰ দক্ষিণ-পূব এছিয়াৰ বজাৰত উল্লেখযোগ্য ৰপ্তানি সম্ভাৱনা আছে। দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে বাণিজ্যিক সম্পৰ্ক অধিক সুদৃঢ় হোৱাৰ ফলত পৰ্যটন, শিক্ষা, স্বাস্থ্যসেৱা আৰু অন্যান্য সহযোগী খণ্ডতো পাৰস্পৰিক সহযোগিতা বৃদ্ধি পোৱাৰ আশা কৰা হৈছে। সেয়েহে, জাগীৰোডত TSAT স্থাপনৰ জৰিয়তে ৰপ্তানি, ঔদ্যোগিক বিকাশ আৰু কৰ্মসংস্থাপনৰ মাধ্যমত উল্লেখযোগ্য অৰ্থনৈতিক লাভ আহৰণৰ উপৰি আঞ্চলিক সংযোগ, আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু দীৰ্ঘম্যাদী সামাজিক তথা কৌশলগত লক্ষ্যসমূহো অধিক শক্তিশালী হ'ব বুলি আশা কৰা হৈছে।

(গ) জাগীৰোডস্থিত Tata Semiconductor Assembly and Test Private Limited প্ৰকল্পটোৱে ২৭,০০০ ৰো অধিক প্ৰত্যক্ষ আৰু পৰোক্ষ নিযুক্তিৰ সৃষ্টি কৰিব । অধিক সংখ্যক উচ্চ দক্ষতাসম্পন্ন আমাৰ যুৱক যুৱতীসকলৰ বাবে নতুন সুযোগ সৃষ্টি কৰিব আৰু বিশ্বজুৰি প্ৰতিভাক উত্তৰপূৰ্বলৈ আকৰ্ষিত কৰিব-. ইয়াৰে প্ৰায় ১৫,০০০ প্ৰত্যক্ষ (Direct) আৰু প্ৰায় ১২,০০০ টা পৰোক্ষ (Indirect) নিয়োগ হ'ব বুলি অনুমান কৰা হৈছে।

থলুৱা অসমীয়া দক্ষতা সম্পন্ন যুৱক যুৱতীক নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ কথা চিন্তা কৰা হৈছে। তাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ থলুৱা যুৱক যুৱতীৰ দক্ষতাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

অসমৰ ৫০৮ গৰাকী মহিলাই নাৰ্চপুৰা আৰু হোছুৰৰ টাটা ইলেক্ট্ৰনিকছৰ সুবিধাসমূহত অৰ্ধপৰিবাহী পেকেজিং আৰু ইলেক্ট্ৰনিকছ নিৰ্মাণৰ হাতে কামে অভিজ্ঞতা লাভ কৰিছে।

ইতিমধ্যে এই উচ্চ প্ৰযুক্তিসম্পন্ন উদ্যোগত কাম কৰাৰ বাবে প্ৰয়োজন হোৱা দক্ষতা আহৰণ কৰাৰ বাবে ১৮০০ গৰাকী থলুৱা যুৱতীক Bangalore ত প্ৰশিক্ষণৰ ব্যবস্থা কৰা হৈছে ।

উল্লেখযোগ্য যে, ইতিমধ্যে, দক্ষ কৰ্মশক্তি গঢ়ি তুলিবলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অৰ্ধপৰিবাহী তত্ত্ব আৰু প্ৰয়োগত পি জি ডিপ্লমা প্ৰৱৰ্তন কৰিছে আৰু অসম দক্ষতা বিশ্ববিদ্যালয়ে ডিজিটেল মেনুফেকচাৰিং টেকন'লজি (OSAT/ATMP)ৰ ডিপ্লমা পাঠ্যক্ৰমৰ ডিজাইনৰ কাম আৰম্ভ কৰিছে।

টাটা ইলেক্ট্ৰনিক্স-এনআইএলআইটি অংশীদাৰিত্বপ্ৰমাণীকৰণ পাঠ্যক্ৰম : কৰ্মশালা, ইন্টাৰ্শ্বিপ, আৰু যৌথ পাঠ্যক্ৰম বিকাশৰ জৰিয়তে এটিএমপি প্ৰযুক্তি আৰু ইলেক্ট্ৰনিক্স উৎপাদনৰ বাবে সাজু প্ৰতিভা গঢ়ি তুলিছে ।

National Institute of Electronics & Information Technology (NIELIT) জাগীৰোড কেম্পাছঃ অসম চৰকাৰে আবণ্টন দিয়া ভূমিৰ সৈতে এই হাবে আঞ্চলিক অৰ্ধপৰিবাহী পৰিৱেশ তন্ত্ৰক শক্তিশালী কৰাৰ বাবে প্ৰশিক্ষণ আৰু প্ৰদৰ্শন কেন্দ্ৰ হিচাপে কাম কৰিব। NIELIT ৰ Director General ড° এম এম ত্ৰিপাঠী আৰু টাটা ইলেক্ট্ৰনিকছৰ, CEO ড° ৰণধীৰ ঠাকুৰৰ স্বাক্ষৰিত এক বুজাবুজি চুক্তিৰ জৰিয়তে অসমৰ অৰ্ধপৰিবাহী আৰু ইলেক্ট্ৰনিকছৰ উচ্চাকাংক্ষাক শক্তি প্ৰদান কৰিবলৈ দক্ষ জনশক্তি সৃষ্টি কৰা হব। গুৱাহাটী বিশ্ববিদ্যালয় আৰু IIT গুৱাহাটী এ Semi-Conductor সম্পৰ্কীয় পাঠ্যক্ৰম আৰম্ভ কৰিছে।

অসমৰ ক্ৰমবৰ্ধমান অৰ্ধপৰিবাহী উদ্যোগত কেৰিয়াৰ আৰু উদ্যোগীকৰণৰ বাবে পৰৱৰ্তী প্ৰজন্মক জ্ঞান আৰু দক্ষতাৰে সজ্জিত কৰিবলৈ চৰকাৰে প্ৰতিষ্ঠানসমূহৰ মাজত এনে কাৰ্যসূচী অব্যাহত ৰাখিব।

*********

**ANNEXURE-I**

**MoU Signed**

| Sl. No. | Name of the company | Location | District | Proposed Investment (Rs. in Crores) | Proposed Employment | | MoU Date |
|---|---|---|---|---|---|---|---|
| | | | | | Direct | Indirect | |
| 1 | PepsiCo India Holding Pvt. Ltd | Banekuchi, Nalbari | Nalbari | 778 | 200 | 300 | 09-05-2023 |
| 2 | Varun Beverages Limited | Rani, Kamrup (M) | Kamrup (M) | 146.27 | 100 | 200 | 09-05-2023 |
| 3 | Dalmia Cement Bharat Ltd | Lanka, Hojai and Umrangsho, Dima Hasao | Hojai and Dima Hasao | 4653 | 200 | 2300 | 09-05-2023 |
| 4 | Star Cement North East Limited | Sonapur, Kamrup (M) | Kamrup (M) | 700.94 | 300 | 350 | 09-05-2023 |
| 5 | Century Float Glass | Not finalised yet | Not finalised yet | 800 | 300 | 500 | 09-05-2023 |
| 6 | Taj Cement Manufacturing Pvt. Ltd | Sonapur,Kamrup | Kamrup | 342.39 | 200 | 0 | 09-05-2023 |
| 7 | Star Cement NE Ltd. | Hilara, Cachar | Cachar | 640.69 | 300 | 350 | 09-05-2023 |
| 8 | DS Group (Electric Vehicle) | Kamrup (Metro) | Kamrup (M) | 140 | 200 | | 09-05-2023 |
| 9 | SBL Biscuits Pvt. Ltd. | Palashbari, Kamrup | Kamrup | 139.14 | 200 | 350 | 23-09-2023 |
| 10 | Jericho Food and Beverages | Madartala, Changsari, Kamrup | Kamrup | 410 | 300 | 500 | 23-09-2023 |
| 11 | Umrangshu (India) Cements LLP | Umrangsho, Dima Hasao | Dima Hasao | 285 | 300 | 700 | 23-09-2023 |
| 12 | Kesar Petroproducts Limited | Proposed: Panchgram, Cachar | Cachar | 2000 | 200 | 1800 | 23-09-2023 |
| 13 | Longspan Structures Pvt. Ltd. | Proposed: Raha, Nagaon | Nagaon | 129 | 220 | 180 | 23-09-2023 |
| 14 | Sunit Breweries Pvt. Ltd. | Balipara, Sonitpur | Sonitpur | 151 | 200 | 200 | 23-09-2023 |

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| 15 | Bhavya Srishti Udyog Pvt. Ltd, | Bongaigaon | Kamrup (M) | 141 | 200 | 173 | 15-03-2024 |
| 16 | Galaxy Infra Creations Pvt. Ltd, | Guwahati, Kamrup (M) | Bongaigaon | 177.59 | 200 | 500 | 15-03-2024 |
| 17 | Taj Kaziranga at Hathikhuli Tea Estate(IHCL) | Hathikhuli, Golaghat | Golaghat | 120 | 200 | 92 | 15-03-2024 |
| 18 | KD Iron & Steel Co., | Rangia, Kamrup. | Kamrup | 325 | 200 | 300 | 15-03-2024 |
| 19 | Maxim Infrastructure & Real | Dispur, Guwahati, Kamrup (M) | Kamrup (M) | 330 | 200 | 100 | 15-03-2024 |
| 20 | Topcem India LLP, | Kamrup | Kamrup | 742 | 200 | 675 | 15-03-2024 |
| 21 | Flexcom Plast Private Limited | Matia, Goalpara | Goalpara | 215 | 325 | 2675 | 15-03-2024 |
| 22 | M/s Shree Pawan Kraft Paper | Alta, Baihata, Kamrup | Kamrup | 147 | 200 | 150 | 25-02-2025 |
| 23 | M/s Ashoka Kraft Industry | Baihata, Kamrup | Kamrup | 140 | 223 | 100 | 25-02-2025 |
| 24 | M/s Yuvaan Developers Pvt. | Azara, Kamrup (M) | Kamrup(M) | 144.12 | 205 | 200 | 26-02-2025 |
| 25 | M/s Allemby Ceramics Pvt. | Dighalichapari, Sonitpur | Sonitpur | 120 | 325 | 200 | 26-02-2025 |
| 26 | M/s Gulshan Polyols Pvt. Ltd | Matia, Goalpara | Goalpara | 200 | 200 | 250 | 18-05-2025 |
| 27 | M/s Kamakhya Biofuels Pvt. | Sipajhar, Darrang | Darrang | 346 | 380 | 1620 | 18-05-2025 |
| 28 | M/s Aadhar Green Industries | Sonapur, Kamrup (M) | Kamrup (M) | 140 | 202 | 590 | 18-05-2025 |
| 29 | SEAS Biotech Pvt. Ltd. | Matia, Goalpara | Goalpara | 157.62 | 210 | 110 | 18-05-2025 |
| 30 | Mathesons Hydrogen India | Numaligarh, Golaghat | Golaghat | 1500 | | | 18-05-2025 |
| 31 | Numaligarh Industries LLP | Numaligarh, Golaghat | Golaghat | 370.25 | 200 | 150 | 18-05-2025 |
| 32 | Kohinoor Pulp & Paper Pvt. | Matia, Goalpara | Goalpara | 981.26 | 500 | _ _ _ | 18-05-2025 |
| 33 | RPN Specialty Paper Pvt. Ltd. | Matia, Goalpara | Goalpara | 827.15 | 300 | - - - | 18-05-2025 |
| 34 | SKJ Clean Enviro Ventures | Sila sinduri Ghopa, North | Kamrup | 137.5 | 220 | 5000 | 18-05-2025 |
| 35 | Brahmaputra Breweries LLP | Tihu, Nalbari | Nalbari | 167 | 492 | _ _ _ | 18-05-2025 |
| 36 | Megashree Cement LLP | Dharamtul, Morigaon | Morigaon | 859.2 | 200 | 2000 | 18-05-2025 |
| 37 | Meghatop Infra LLP | Chandranathpur, Cachar | Cachar | 859.2 | 200 | 2000 | 18-05-2025 |
| 38 | Max Cement Industries Pvt. | Dharamtul, Morigaon | Morigaon | 512.91 | 300 | 2000 | 18-05-2025 |
| 39 | Amrit Cement Ltd. | MouzaPanduri, Vil- TeleraNakuchi | Kamrup | 617 | 200 | 300 | 18-05-2025 |
| 40 | Indian Hotels Company | Jagiroad, Morigaon | Morigaon | 175 | 225 | 175 | 18-05-2025 |
| 41 | Down Town Hospital Ltd. | Beltola, Kamrup (M) | Kamrup (M) | 122.73 | 202 | _ _ _ | 18-05-2025 |

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| 42 | Jonali Constructions Pvt. | Airport Road, Kamrup (M) | Kamrup (M) | 335.14 | 400 | 600 | 18-05-2025 |
| 43 | Sailaja Sangam LLP | Lokhra. Guwahati, Kamrup (M) | Kamrup (M) | 137.01 | 204 | _ _ _ | 18-05-2025 |
| 44 | Ambuja Neotia Hotel Ventures Limited | Fancy Bazar, Old Jail Road | Kamrup (M) | 302.65 | 800 | 1100 | 11-12-2025 |
| 45 | Star Cement NE Ltd. | Dergaon | Golaghat | 650 | 200 | 300 | 12-03-2026 |
| 46 | Varun Beverages Limited | IGC Matia | Goalpara | 582.92 | 200 | 650 | 12-03-2026 |
| 47 | Valley Strong Cements | Badarpurghat, Sribhumi | Sribhumi | 480 | 250 | 1000 | 12-03-2026 |
| 48 | Maxim Infrastructure and Real | G.S. Road, Near Monal Tower, | Kamrup(M) | 130 | 200 | | 12-03-2026 |
| 49 | Premier Cryogenics Limited | Jagiroad | Morigaon | 125 | 200 | 250 | 12-03-2026 |
| 50 | RJ Corp Limited | Sarusajai, Guwahati | Kamrup(M) | 300.02 | 200 | 400 | 12-03-2026 |
| 51 | Jonali Construction Private | Guwahati Airport, Borjhar | Kamrup (M) | 182.17 | 204 | 300 | 12-03-2026 |
| 52 | Ambuja Neotia Healthcare | Fancy Bazar, Old Jail Road | Kamrup (M) | 360 | 1600 | 3000 | 12-03-2026 |
| 53 | Global Health Limited | Sarusajai, Guwahati | Kamrup(M) | 600 | 2000 | 2500+ | 12-03-2026 |
| 54 | Lineage Healthcare Limited | Sarusajai, Guwahati | Kamrup(M) | 50 | 200 | 300 | 12-03-2026 |
| 55 | AXOM HOTELS LLP | Beltola, Guwahati | Kamrup(M) | 105.78 | 250 | 250 | 12-03-2026 |
| 56 | Kusum Polyplast Pvt Ltd | IGC Matia | Goalpara | 215 | 160 | 200 | 12-03-2026 |
| 57 | Aadhar Innovations Pvt. Ltd. | IGC Matia | Goalpara | 226 | 210 | | 12-03-2026 |
| 58 | Ambuja Concrete North Pvt. | Umrangso, Hojai and Rangia | Dima Hasao, | 11000 | 2000 | 5000 | 12-03-2026 |
| 59 | Bharat A to Z Pvt. Ltd. | Dharapur, Kamrup (M) | Kamrup (M) | 475 | 900 | 1800 | 12-03-2026 |
| 60 | Hotel Polo Towers Limited | Silchar | Cachar | 103.92 | 200 | 200 | 12-03-2026 |
| 61 | Novel Biofuels Private Limited | Umrangsho | Dima Hasao | 11765 | 250 | 18750 | Yet to be signed |
| 62 | INOX Solar Limited | Tingkhong, Dibrugarh | Dibrugarh | 250 | 225 | 175 | Yet to be signed |
| 63 | Iconic Glass LLP | Moranjana, Rangia | Kamrup | 125.7 | 300 | | Yet to be signed |
| 64 | BuildX Industries Pvt. Ltd. | Morigaon and Cachar | Morigaon and | 1300 | 650 | | Yet to be signed |
| 65 | Star Cement Ltd. | Umrangso, Dergaon, cachar | Dima Hasao | 10950 | 2000 | 2015 | Yet to be signed |
| | **Total Amount in Crores** | | | **62641.27** | | | |

**ANNEXURE-II**

| Financial Year Wise Net Investment (Rs. In Crore) reported on Udyam for Assam State Since 01/07/2020 to 31/03/2026 | |
|---|---|
| **FY** | **Investment (Rs. In Crore)** |
| **2020-21** | 3173.69 |
| **2021-22** | 7078.32 |
| **2022-23** | 9802.81 |
| **2023-24** | 13209.84 |
| **2024-25** | 17209.09 |
| **2025-26** | 20374.23 |

ANNEXURE-III

**LIST OF HIGH POWERED INVESTMENTCOMMITTEE PROPOSAL APPORVED BY HON'BLE CABINET**

| **Sl. No.** | **Name of the Unit** | **Amount (In Crores)** |
|---|---|---|
| 1. | Novel Bio Fuels Limited | Rs.11,765 |
| 2. | Star Cement Ltd. | Rs.10,950 |
| 3. | Ambuja Concrete North Pvt. Ltd. | Rs.11,000 |

**Total Amount** **Rs.33,715 Crores**